# গোট - ২

## প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকনৰ উদ্দেশ্য আৰু পৰিসৰ

**"Objectives and Scope of Teaching-Learning EVS at the Primary stage.**

টোকা

## অধ্যায় গাঁথনি (Structure)


২.০ ঃ পাতনি।

২.১ ঃ শিকন উদ্দেশ্য।

২.২ ঃ প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়নৰ প্ৰয়োজন কিয় ?

২.৩ ঃ ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ, ২০০৫ (NCF-2005) সাপেক্ষে পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকনৰ উদ্দেশ্য।

২.৪ ঃ পৰিৱেশ অধ্যয়নৰ পৰা আহৰণ কৰা মূল্যবোধ।

২.৪.১ আমাৰ পৰিৱেশক প্ৰমূল্য দিয়া ঃ ভাৰতীয় ঐতিহ্য

২.৫ ঃ ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ, ২০০৫ (NCF-2005) সাপেক্ষে প্ৰাখথমিক স্তৰত পৰিৱেশ অধ্যয়ন শিক্ষন-শিকনৰ পৰিসৰ।

২.৬ ঃ কি শিকিলো থোৰতে জানো আহা।

২.৭ ঃ স্ব-মূল্যায়নৰ বাবে আদৰ্শগত প্ৰশ্নৰ উত্তৰ।

২.৮ ঃ উপদেশমূলক প্ৰাসংগিক পুথি আৰু ইয়াৰ তালিকা (অধিক জানিবলৈ)।

২.৯ ঃ গোটৰ অনুশীলনী।


## ২.০ পাতনি (Structure)

গোট-১ ত আলোচনা কৰাৰ দৰে আমি বাস কৰা পৃথিৱীখনেই আমাৰ পৰিৱেশ। আমি সকলোবোৰ আৰু আমাৰ বৰ্তমান আৰু ভৱিষ্যতৰ ঐতিহ্যই হ'ল আমাৰ পৰিৱেশ। পৃথিৱীত বাস কৰা সকলোবোৰ জীৱৰ লগতে আমাৰ ওতঃপ্ৰোতঃ সম্পৰ্ক আছে। এইটো সহজেই অনুমেয় যে বৰ্তমান আমাৰ দৈনন্দিন কাৰুকাৰ্যবোৰে পৰিৱেশক বাৰুকৈয়ে প্ৰভাৱন্বিত কৰা পৰিলক্ষিত হৈছে আৰু যাৰ ফলত পৰিৱেশে আমাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে। পৰিৱেশত থকা সম্পদ, ইয়াৰ ব্যৱহাৰ আৰু পৰিৱেশ শিক্ষাৰ ওপৰত জনসাধাৰণৰ অধিক সজাগতা থকা দৰকাৰ তেতিয়াহে মানুহে পৰিৱেশৰ সঠিক ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণ সম্পৰ্কে সচেতন হ'ব।

পৰিৱেশ সংৰক্ষণত শিক্ষাৰ ভূমিকা সম্পৰ্কত ৰাষ্ট্ৰীয় শিক্ষানীতি, ১৯৮৬ (NPE-1986) এ কৈছে যে "পৰিৱেশ সম্পৰ্কে সজাগতা অনাটো আমাৰ প্ৰধান প্ৰয়োজনীয়তা য'ত সকলো বয়সৰ, সকলো শ্ৰেণীৰ লোক জড়িত হৈ থাকিব লাগিব। বিদ্যালয় আৰু


টোকা

মহাবিদ্যালয়ত পৰিৱেশ সজাগতা সম্পৰ্কীয় শিক্ষা দিয়টো উচিত আৰু সমগ্ৰ শিক্ষা প্ৰক্ৰিয়াত পৰিৱেশ সজাগতা বিষয়তো ওতঃপ্ৰোতঃভাৱে জড়িত হৈ থাকিব লাগে।”

ৰাষ্ট্ৰীয় শিক্ষানীতি (১৯৮৬) আৰু পিছৰ পৰ্যায়ৰ শিক্ষানীতিয়ে (NCFSE-2000, NCF-2005) বিদ্যালয় শিক্ষা ব্যৱস্থাত পৰিৱেশ শিক্ষা অবিচ্ছেদ্য অংগ হিচাপে বৰ্ণিত কৰিছে। ইয়াৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰস্তুত কৰা সকলো ধৰণৰ পাঠ্যক্ৰমত পৰিৱেশ শিক্ষা বিষয়টো যথোচিত গুৰুত্ব পাইছে আৰু ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশ সম্পৰ্কীয় কথা যেনে— পৰিৱেশ, ইয়াৰ ব্যৱহাৰ, পৰিৱেশৰ প্ৰমূল্য আৰু ‘প্ৰয়োজনীয়তা, পৰিৱেশ সম্পৰ্কীয় সমস্যাৰ সমাধান আদি সম্পৰ্কে অৱগত হৈছে।

পৰিৱেশ শিক্ষা বিষয়টো তৃতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ পৰিৱেশ অধ্যয়ন ((EVS-Environmental Studies) হিচাপে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে আৰু ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ (NCF-2005) ৰ নিৰ্দেশনা অনুযায়ী পৰিৱেশ অধ্যয়নত ভৌতিক পৰিৱেশ (Physical evironmetal), জৈৱিক পৰিৱেশ (Biological Environment) আৰু সামাজিক-সাংস্কৃতিক পৰিৱেশ (Socio-cultural environment) ৰ বিষয়বস্তু সন্নিবিষ্ট কৰা হৈছে।

আগৰ পাঠত আমি শিশুৰ বৃদ্ধি আৰু বিকাশত পৰিৱেশে কি ভূমিকা পালন কৰে সেই সম্পৰ্কে শিকি আহিছো। শিকন কাৰ্যৰ জৰিয়তে শিশুৱে কেনেকৈ পৰিৱেশৰ প্ৰতি প্ৰমূল্য বৃদ্ধি কৰে আৰু পৰিৱেশৰ প্ৰতি সঠিক ব্যৱহাৰ কৰিবলৈ শিকে এই সম্পৰ্কেও আমি আগৰ পাঠত পাই আহিছো।

এই গোটটোৰ জৰিয়তে প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকনৰ গুৰুত্ব, উদ্দেশ্য আৰু পৰিসৰ সম্পৰ্কে জ্ঞান দিবলৈ চেষ্টা কৰা হৈছে। পৰিৱেশ অধ্যয়নৰ শিক্ষণ-শিকনৰ জৰিয়তে পৰিৱেশৰ প্ৰতি প্ৰমূল্য আৰু সজাগতা বৃদ্ধি সম্পৰ্কেও ইয়াত উল্লেখ কৰা হৈছে। ইয়াৰ, জৰিয়তে আমাৰ পৰিৱেশ সম্পৰ্কীয় জ্ঞান, ধাৰণা, প্ৰমূল্য আৰু দৃষ্টিভংগীৰ বিকাশ হ’ব আৰু পাৰিৱেশিক বন্ধুত্ব (Environment friendly) ৰ দিশত আমাক সকলোকে আগুৱাই নিব।

## ২.১ শিকন উদ্দেশ্য (Learning Objective)

গোটটোৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত তলত দিয়া শিকন উদ্দেশ্যসমূহ আহৰণ কৰিব—

— প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়নৰ গুৰুত্ব সম্পৰ্কে জ্ঞাত হ’ব।

— পৰিৱেশ অধ্যয়নৰ উদ্দেশ্য সম্পৰ্কে জানিব।

— পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে কি কি গুণ আয়ত্ব কৰিব সেই সম্পৰ্কে জানিব।

— ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰৰ (NCF-2005) ভিত্তিত পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকন প্ৰক্ৰিয়াত নিৰ্দিষ্ট সীমা নাথাকিব বুলি জ্ঞাত হ’ব।

টোকা



## ২.২ প্ৰাথমিক স্তৰৰ পৰিৱেশ অধ্যয়নৰ কিয় প্ৰয়োজন ? (Why Environmental Studies need at the Primary Stage)

যদিও আমি পৰিৱেশৰ বহল অৰ্থ জানো আৰু ইয়াৰ জৰিয়তে আয়ত্ব কৰা গুণ সম্পৰ্কে জানো তথাপিও কিছুমানে পৰিৱেশ বুলিলে মাত্ৰ প্ৰদূষণ আৰু ইয়াৰ সমস্যা, নিৰ্বনানিকৰণ, পেলনীয়া সামগ্ৰীৰ পচন আদিকে বুজে। বহুতেই বিজ্ঞান আৰু সমাজ অধ্যয়নৰ সলনি পৰিৱেশ অধ্যয়ন প্ৰাথমিক স্তৰত কিয় দিয়া হ'ল বুলি প্ৰশ্নও কৰে।

প্ৰাথমিক স্তৰত থকা পৰিৱেশ অধ্যয়ন এনেকুৱা এটা সংহত বিষয় য'ত ভৌতিক, ৰসায়নিক, জৈৱিক বিজ্ঞান, সমাজ অধ্যয়ন (বুৰঞ্জী, ভূগোল, ৰাজনীতি বিজ্ঞান, সমাজ বিজ্ঞান আদি) আৰু পৰিৱেশ শিক্ষা (পৰিৱেশৰ ব্যৱহাৰ আৰু সংৰক্ষণ) আদি বিষয় একেললগে সন্নিবিষ্ট কৰা হৈছে। শিশুৱে যিটো পৰিৱেশত ডাঙৰ-দীঘল হয় সেই পৰিৱেশ সম্পৰ্কে ইয়াত ধাৰণা দিয়া হৈছে।

পৃথিৱী বিখ্যাত শিক্ষাবিদ, চিন্তাবিদ আৰু দাৰ্শনিক যেনে—পেষ্টালজি, জন ডিঅ'য়ি, মাৰিয়া মণ্টেচৰী, ৰাডল্ফ ষ্টেইনাৰ, জে, কৃষ্ণমূৰ্তি, অৰ'বিন্দ আদিৰ নাম আপোনালোকে শুনিছে নিশ্চয়। তেওঁলোকৰ সকলোৱেই শিশুৰ সৰ্বাংগীন বিকাশৰ জৰিয়তে শিক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ কথা কৈছিল। সৰ্বাংগীন বিকাশ মানে এজন শিশু বৌদ্ধিক, মানসিক, সামাজিক, আৱেগিক, শাৰীৰিক, আধ্যাত্মিক, কলাসুলভ আৰু সৃজনিমূলক বিকাশেৰে উদ্ভাশিত হোৱাটোকে বুজায়। মুখস্থ বিদ্যাৰ জৰিয়তে শিশুৰ সৰ্বাংগীন বিকাশ সম্ভৱ নহয়। ইয়াৰ পৰিৱৰ্তে শিশুক শিশুকেন্দ্ৰিক শিক্ষাৰ জৰিয়তে পৰিৱেশৰ লগত খাব খাব পৰাকৈ শিকন কাৰ্যত লিপ্ত কৰাইহে শিশুৰ সৰ্বাংগীন বিকাশ সম্ভৱ কৰি তুলিব পাৰি। এই ক্ষেত্ৰত শিক্ষকৰ প্ৰত্যক্ষ শিক্ষণতকৈ ছাত্ৰ-ছাত্ৰীক পৰিৱেশৰ লগত খাব খুৱাই শিকন কাৰ্যৰ অভিজ্ঞতাৰ জৰিয়তে শিকনৰ ওপৰতহে বেছি গুৰুত্ব আৰোপ কৰিব লাগিব। শিশুৰ ভাল পোৱা আৰু চিনাকি পৰিৱেশৰ সৃষ্টিৰ জৰিয়তে শিক্ষণ-শিকন প্ৰক্ৰিয়া আগবঢ়ালেহে শিশুৰ সৰ্বাংগীন বিকাশ হ'ব আৰু তেতিয়া শিশুৱে পৰিৱেশৰ মূল্য বুজি পাব।

পৰিৱেশ অধ্যয়নৰ মূল কথাটোৱে হ'ল শিশুক তেওঁলোকৰ প্ৰকৃত পৃথিৱীখনৰ লগত চিনাকি কৰি দিয়া। পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকনৰ জৰিয়তে শিশুৰ প্ৰাকৃতিক পৰিৱেশ আৰু মানৰ সৃষ্ট পৰিৱেশ (সামাজিক-সাংস্কৃতিক পৰিৱেশ) সম্পৰ্কে জ্ঞাত কৰা হয় আৰু ইয়াৰ লগত শিশুৰ মনৰ সংযোগ স্থাপন কৰা হয়। এনেদৰে শিশুৱে পৰিৱেশৰ বিভিন্ন কাৰ্যৰ লগত জড়িত নিজৰ অন্তৰদৃষ্টি বা সূক্ষ্ম দৰ্শন শক্তিৰ বিকাশৰ সুবিধা পায় আৰু সেই কাৰণে শিশুৰ বুদ্ধি আৰু বিকাশৰ বাবে তথা প্ৰকৃত শিকনৰ বাবে অন্তৰদৃষ্টি বিকাশ হোৱাটো অতি প্ৰয়োজন।



টোকা

আমি পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰিহে জীৱন যাত্ৰা চলাইছো। গতিকে আমি সকলোৰে পৰিৱেশ সংৰক্ষণ কৰা প্ৰয়োজন। আমাৰ চিন্তা আৰু কাৰ্যই আমাৰ পৃথিৱীখনক এক বাসোপযুক্ত অঞ্চল হিচাপে গঢ়ি তুলিব আৰু ই ভৱিষ্যৎ প্ৰজন্মৰ বাবে সুবিধাজনক হ'ব। কিন্তু ইয়াৰ বাবে আমি পৰিৱেশ কেনেদৰে গঠিত হয় আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে ভালকৈ বুজিব লাগিব।

পৰিৱেশ অধ্যয়নে ছাত্ৰ-ছাত্ৰীক নিজকে বুজি পোৱাৰ লগতে পৰিয়াল, ওচৰ-চুবুৰীয়া, সমাজ বা দেশখনৰ বিষয়ে জনা প্ৰক্ৰিয়াতো সহায় কৰে। ছাত্ৰ-ছাত্ৰীয়ে যে সমাজ বা দেশৰ একোটা অংশ তাক হৃদয়ংগম কৰাত পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকন প্ৰক্ৰিয়াই সহায় কৰে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ, অন্যৰ আৰু প্ৰাকৃতিক পৰিৱেশৰ মাজত যে এটা পাৰস্পৰিক নিৰ্ভৰশীলতা আছে সেই কথা বুজি পাব আৰু পৃথিৱীত বাস কৰা সকলো জীৱৰ মাজত থকা অন্তঃআৰু আন্তঃ নিৰ্ভৰশীলতাৰ জৰিয়তে যে এক গুণগত সামগ্ৰিক পৰিৱেশ গঢ়ি তুলিব পাৰি ছাত্ৰ-ছাত্ৰীয়ে সেই কথা হৃদয়ংগম কৰিব পাৰিব। এইদৰে পৰিৱেশ অধ্যয়নৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে ভৌতিক, ৰসায়নিক, সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ লগত কেনেদৰে বিনিময় আৰু সহবাস কৰিব পাৰো আৰু পৰিৱেশে কিদৰে আমাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে সেই বিষয়ে জানিব পাৰে।

পৰিৱেশ সম্পৰ্কীয় জ্ঞানে ছাত্ৰ-ছাত্ৰীক জীৱ আৰু পৰিৱেশৰ মাজত সম্পৰ্ক, পৰিৱেশ সম্পৰ্কীয় সমস্যা আৰু অন্তৰদৃষ্টি আৰু দৃষ্টিভংগীৰ বিকাসেৰে পৰিৱেশৰ সমস্যা সমাধান কৰিবলৈ সুযোগ প্ৰদান কৰিব। যিহেতু পৰিৱেশ অধ্যয়ন একাধিক বিষয়ৰ সমাহাৰ গতিকে ইয়াৰ অধ্যয়নে ছাত্ৰ-ছাত্ৰীক পৰিৱেশৰ বিভিন্ন দিশৰ আলোচনা আৰু সমস্যা সমাধানৰ পথ সুগম কৰিব।

পৰিৱেশ অধ্যয়নৰ বিষয়বস্তু যেনে— খাদ্য, পানী, বাসস্থান, আদিয়ে ছাত্ৰ-ছাত্ৰীৰ বাস্তৱ পৰিৱেশ সম্পৰ্কে অৱগত কৰিব। ঘৰ বা সমাজত পোৱা অভিজ্ঞতাৰ চানেকিৰে পৰিৱেশ অধ্যয়নৰ বিষয়বস্তুৰ লগত ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ সংযোগ ঘটাই পৰিৱেশ অধ্যয়ন বিষয়টো বুজি পোৱাত সহজসাধ্য কৰিব। এইদৰে বিষয়বস্তুৰ লগত বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ সংযোগ ঘটা বাবে ছাত্ৰ-ছাত্ৰীৰ পৰিৱেশৰ প্ৰতি দৃষ্টিভংগী আৰু মূল্যবোধৰ বিকাশ ঘটিব আৰু পৰিৱেশ সংৰক্ষণৰ প্ৰতি দায়বদ্ধতা বৃদ্ধি কৰিব। পৰিৱেশ অধ্যয়নে জীৱন-কৌশল শিক্ষা আহৰণ কৰাটো সহায় কৰে, কিয়নো পৰিৱেশ অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ পৃথিৱী সম্পৰ্কীয় জ্ঞান, ধাৰণা, প্ৰমূল্যবোধ আৰু দৃষ্টিভংগীৰ বিকাশ ঘটাই শিশু তথা অন্য মানুহৰ লগত কিদৰে পাৰস্পৰিক সহযোগিতাৰে সহবাস কৰিব লাগে সেই

টোকা

শিক্ষা দিয়ে।

গতিকে সাৰাংশত পৰিৱেশ অধ্যয়নৰ জৰিয়তে শিশুৱে তলত উল্লেখ কৰা শিকনীয় অৰ্হতা আয়ত্ব কৰিব বুলি ক'ব পাৰি—

— প্ৰাকৃতিক আৰু মানৱসৃষ্ট পৰিৱেশৰ লগত মানুহৰ সম্পৰ্ক আৰু পৰিৱেশৰ বিভিন্ন জৈৱিক আৰু অজৈৱিক কাৰকৰ ওপৰত মানুহ নিৰ্ভৰশীল।
— পৰিৱেশ সম্পৰ্কীয় সামগ্ৰিক ধাৰণা তথা জ্ঞান আহৰণ।
— একাধিক বিষয় সামৰি পৰিৱেশ অধ্যায়ন বিষয়টো সজোৱা হয় আৰু ইয়াৰ অধ্যয়নৰ জৰিয়নে পৰিৱেশৰ বিভিন্ন দিশ তথা সমস্যা সম্পৰ্কে জ্ঞাত হোৱা আৰু ইয়াৰ সমাধানৰ পথ সুগম কৰা।

**অগ্ৰগতি নিৰীক্ষণ** (Check Your Progress-I)

(ক) প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়নে বিজ্ঞান, সমাজ বিজ্ঞান আৰু পৰিৱেশ বিজ্ঞান আদি বিষয় সামৰি লয়। সেইবাবে পৰিৱেশ অধ্যয়ন এটা—— বিষয়। (সংহত, একক, দ্বৈত)

(খ) শিক্ষাৰ লক্ষ্য হ'ল ছাত্ৰ-ছাত্ৰীৰ

.................. সাধন কৰা।

ঃ বিকাশ

ঃ আৱেগিক বিকাশ

ঃ কৌশল বিকাশ

ঃ সৰ্বাংগীন বিকাশ

## ২.৩ ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ, ২০০৫ সাপেক্ষে পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকনৰ উদ্দেশ্য (Objective of Teaching - Learning EVS with special reference to NCF-2005)

ৰাষ্ট্ৰীয় শিক্ষানীতি, ১৯৮৬ (NPE-1986) এ কৈছে যে শিশুকে ধৰি সকলো বয়সৰ মানুহে পৰিৱেশৰ প্ৰতি সজাগতা বৃদ্ধি কৰিব লাগে। শিশুৱে জনা বা শিকাৰ কৌতুহল লৈয়ে জন্ম পায় আৰু পৰিয়াল, ওচৰ-চুবুৰীয়া আৰু অন্যান্য পৰিৱেশৰ পৰা শিকিবলৈ আৰম্ভ কৰে। স্বাভাৱিকভাৱে এনেদৰে শিশুৱে পৰিৱেশৰ পৰা শিকা কাৰ্যক



টোকা

আমি সকলোৰে উৎসাহ জনাব লাগে যিটো ব্যক্তিগত আৰু সামাজিক বিকাশৰ বাবে অতি প্ৰয়োজনীয়।

ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ-২০০৫ সাপেক্ষে পৰিৱেশ অধ্যয়ন শিক্ষণ শিকনৰ মুখ্য উদ্দেশ্যসমূহ তলত দিয়া ধৰণৰ—

— প্ৰাকৃতিক, সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ মাজৰ সম্পৰ্ক শিশুৱে জনা।
— ভৌতিক, জৈৱিক, সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ পৰা বাস্তৱ অভিজ্ঞতা আহৰণ কৰা আৰু জ্ঞান গঠন কৰা।
— ঘৰখনৰ পৰা আৰম্ভ কৰি সকলো স্তৰৰ সামাজিক পৰিসৰৰ বিকাশৰ বাবে কৌতুহলী হোৱা আৰু তাৰ বাবে নিজকে শৈক্ষিকভাৱে যোগ্য কৰি তোলা।
— প্ৰাকৃতিক পৰিৱেশৰ প্ৰতি শিশুৰ কৌতুহল আৰু সৃজনশীলতা বৃদ্ধি কৰিবলৈ শিশুক সহায় কৰা।
— পৰিৱেশৰ বিভিন্ন দিশ সম্পৰ্কে সজাগতা বৃদ্ধি কৰা।
— শিশুক পৰিৱেশ অনুযায়ী বিভিন্ন ক্ৰিয়াকলাপত ব্যস্ত ৰখা আৰু পৰ্যবেক্ষণ, শ্ৰেণী বিভাজন আৰু সিদ্ধান্ত গ্ৰহণৰ জৰিয়তে শিশুৰ সংজ্ঞাত্মক আৰু মনোপেশীক কৌশলৰ বিকাশ সাধান কৰা।
— ভৱিষ্যতে শিশুৱে নিজকে খাপ খুৱাই ল'বলৈ প্ৰযুক্তিবিদ্যা আৰু গাণনিক কৌশল আয়ত্ব কৰাৰ বাবে উপযুক্ত পৰিৱেশ গঢ়ি তোলা।
— লিংগ বৈষম্য, মমতা আৰু ন্যায়, মানুহৰ প্ৰতি মৰ্যাদা, মানৱ অধিকাৰ আদি সামাজিক বিষয়ৰ সূক্ষ্ম বিশ্লেষণ কৰিবলৈ সক্ষম হোৱা।

ওপৰুক্ত উদ্দেশ্যসমূহে ছাত্ৰ-ছাত্ৰীৰ শিকনীয় অভিজ্ঞতাৰ বাবে আঁচনি প্ৰস্তুত কৰাত সহায় কৰিব আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় শিকনীয় অৰ্হতা আয়ত্ব হ'ব।

ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ-২০০৫ত উল্লেখ কৰাৰ দৰে পৰিৱেশ অধ্যয়নৰ উদ্দেশ্যসমূহে ছাত্ৰীৰ পৰিৱেশৰ প্ৰতি কৌতুহল, সজাগতা বৃদ্ধি কৰিব, পৰিৱেশৰ জ্ঞান আৰু বোধৰ জৰিয়তে প্ৰমূল্য আৰু দৃষ্টিভংগী বিকাশ হ'ব। মূল্যায়ন আৰু পৰ্যবেক্ষণৰ কৌশল আয়ত্ব হ'ব, তথ্য সংগ্ৰহ আৰু ইয়াৰ ব্যৱহাৰৰ লগতে সৃজনীমূলক প্ৰতিভাৰো বিকাশ হ'ব আৰু এইদৰে ছাত্ৰ-ছাত্ৰীৰ পৰিৱেশ সংৰক্ষণৰ প্ৰতি প্ৰৱণতা বাঢ়িব।

প্ৰতিখন বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীক পৰিৱেশৰ পৰা অভিজ্ঞতাৰ জৰিয়তে শিকা কাৰ্যত সহায় কৰিব লাগে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পৰিৱেশৰ লগত নিজে সহজে খাপ খুৱাই ল'ব পাৰিব। পৰিৱেশৰ গুণগত মান ৰক্ষা কৰাৰ বাবে আৰু প্ৰাকৃতিক সম্পদৰ সদ্ব্যৱহাৰৰ বাবে পৰিৱেশ অধ্যয়নৰ বিষয়টো অতি আৱশ্যক কিয়নো পৰিৱেশৰ পৰা

টোকা

আহৰণ কৰা অভিজ্ঞতাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ শিকে। উক্ত সকলো কথা সাপেক্ষে পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকনৰ লক্ষ্য আমি তলত দিয়া ধৰণে নিৰ্দ্ধাৰণ কৰিব পাৰো।

— প্ৰাকৃতিক আৰু সামাজিক-সাংস্কৃতিক বাস্তৱ পৰিৱেশৰ লগত ছাত্ৰ-ছাত্ৰীক চিনাকি কৰি দিয়া।
— পৰিৱেশ সম্পৰ্কীয় বিভিন্ন দিশ আৰু সমস্যাসমূহ ছাত্ৰ-ছাত্ৰীয়ে বিশ্লেষণ, মূল্যায়ন আৰু সিদ্ধান্ত গ্ৰহণ কৰিবলৈ শিকা।
— পৰিৱেশৰ বিভিন্ন দিশ বুজিবলৈ শিকা।
— পৰিৱেশৰ প্ৰতি ইতিবাচক দৃষ্টিভংগী আৰু প্ৰমূল্যৰ বিকাশ সাধন কৰা।
— ইতিবাচক কৰ্ম ত্বৰান্বিত কৰা

**অগ্ৰগতিৰ নিৰীক্ষণ**

— ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ, ২০০৫ ৰ পৰিৱেশ অধ্যয়নৰ উদ্দেশ্যসমূহ আছে। এই উদ্দেশ্যসমূহে ছাত্ৰ-ছাত্ৰীৰ কি কি বিকাশ ঘটাই টিক্ চিহ্ন দিয়া।

ঃ পৰিৱেশৰ প্ৰতি কৌতুহল আৰু সজাগতা।

ঃ পৰিৱেশৰ জ্ঞান আৰু বোধ।

ঃ প্ৰকৃতিৰ বিভিন্ন উপাদানৰ মাজত পৰস্পৰ নিৰ্ভৰশীলতা সম্পৰ্কে জ্ঞান।

ঃ প্ৰশংসা, দৃষ্টিভংগী আৰু মূল্যবোধৰ বিকাশ।

ঃ পৰ্যবেক্ষণ আৰু সৃজনীমূলক প্ৰকাশ।

ঃ ওপৰৰ সকলো।

## ২.৪ পৰিৱেশ অধ্যয়নত অন্তৰ্নিহিত প্ৰমূল্য ঃ (Values inherent in Environmental Studies)

পৰিৱেশ অধ্যয়ন শিকন প্ৰক্ৰিয়াত শিশুৱে পৰিৱেশৰ বিভিন্ন দিশ আৰু সমস্যাৰ বিষয়ে শিকিবলৈ সুবিধা পায়, পৰিৱেশ সম্পৰ্কীয় সম্পূৰ্ণ ধাৰণা আয়ত্ত কৰাৰ লগতে পৰিৱেশৰ লগত বন্ধুসুলভ ব্যৱহাৰ কৰাৰ প্ৰৱণতা বৃদ্ধি পায়। পৰিৱেশক বুজিবলৈ পৰিৱেশ সম্পৰ্কীয় জ্ঞানেই যথেষ্ট নহয় তাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মনত পৰিৱেশৰ প্ৰতি



টোকা

ইতিবাচক দৃষ্টিভংগী আৰু প্ৰমূল্য আহিব লাগিব। শিক্ষকে পৰিৱেশ অধ্যয়নত অন্তৰ্নিহিত প্ৰমূল্যসমূহ কিদৰে ছাত্ৰ-ছাত্ৰীয়ে বুজি পাই তাৰ ব্যৱস্থা কৰিব লাগিব। তাৰ বাবে শিক্ষকে প্ৰকৃত পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব য'ত শিশুৱে পৰিৱেশৰ লগত নিজৰ অভিজ্ঞতাৰ প্ৰতিফলন ঘটাব পাৰে আৰু শিশুৰ বিকাশ সাধন কৰিব পাৰে।

## প্ৰমূল্যবোৰ কি ? (What are values)

প্ৰমূল্য হ'ল কোনো ব্যক্তিৰ নিজস্ব উপলব্ধি, জ্ঞান, শিকন, মতামত আৰু ব্যৱহাৰৰ ওপৰত আহৰণ কৰা নিজস্ব গুণ। মানুহৰ আচৰণ সঠিক কৰাৰ বাবে প্ৰমূল্য হৈছে প্ৰয়োজনীয় অভিৰোচক। প্ৰমূল্যই মানুহক ভাল, বেয়া, শুদ্ধ-অশুদ্ধ, গ্ৰহণীয়, বৰ্জনীয় আদি চিনাক্ত কৰাত সহায় কৰে। ভৌতিক, সাংস্কৃতিক, সামাজিক তথা অৰ্থনৈতিক পৰিৱেশৰ লগত আমি কাৰ্য কৰি থাকোঁতে এই প্ৰমূল্য আহৰণ কৰোঁ। শিশুৱে কম বয়সতেই পৰ্যবেক্ষণ আৰু পৰিৱেশৰ লগত ক্ৰিয়া-কলাপ কৰি থাকোঁতেই বহু গুণ অৰ্জন কৰিবলৈ সক্ষম হয়। শিশুৱে ডাঙৰৰ পৰা পোৱা আচৰণ, সমনীয়াৰ পৰা পোৱা ব্যৱহাৰ আৰু শিক্ষকৰ পৰা শিকা আচৰণে তেওঁলোকৰ প্ৰমূল্য আহৰণ কৰাত সহায় কৰে যিয়ে শিশুক ভৱিষ্যতে সুনাগৰিক হোৱাত সহায় কৰে।

পৰিৱেশ সম্বন্ধে জনাৰ ক্ষেত্ৰত প্ৰমূল্য কিমান প্ৰয়োজন সেই বিষয়ে কিছু কথা আলোচনা কৰোঁ আহক।

আমি আগতে জানি আহিছো যে পৰিৱেশ হ'ল প্ৰকৃতি, সংস্কৃতি আৰু মানুহৰ দ্বাৰা গঠিত কিছুমান কাৰকৰ সমাহাৰ। এইটো স্পষ্ট যে লোভ আৰু সন্তুষ্টিৰ বাবে মানুহে কৰা কৰ্মৰ বাবে পৰিৱেশৰ বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে। ব্যক্তিগত স্বাৰ্থ পৰিত্যাগ কৰি সামাজিক স্বাৰ্থ পূৰ কৰাৰ বাবে কৰ্ম কৰিলে আমাৰ পৰিৱেশৰ গুণগত মান সঠিক হৈ থাকিব আৰু পৰিৱেশৰ কোনো সমস্যাৰ সৃষ্টি নহ'ব।

আপোনালোকে জানে যে প্ৰাকৃতিক সম্পদৰ ওপৰতে আমি ভাল ধৰণে জীয়াই থকাটো নিৰ্ভৰ কৰে। বায়ু, পানী, মাটি, হাবি আদি প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰি আমি আমাৰ মৌলিক প্ৰয়োজন সমূহ পূৰ কৰি আছো। প্ৰকৃতি ধ্বংস কৰি আৰু প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰি আমি অট্টালিকা, ৰাস্তা, বান্ধ, উদ্যোগ, দলং আদি

নিৰ্মাণ কৰি আছো। এইদৰে আমি ভৌতিক আৰু জৈৱিক পৰিৱেশৰ পৰিৱৰ্তন ঘটাই মানৱ সৃষ্ট পৰিবেশ অৰ্থাৎ কৃত্ৰিম পৰিৱেশ কৰি আছো। প্ৰকৃতিক আমি সম্পদ ব্যৱহাৰৰ বিশাল ভাণ্ডাৰ হিচাপে গণ্য কৰিছো। মহাত্মা গান্ধীয়ে সঠিকভাৱে কৈছিল যে 'প্ৰকৃতি প্ৰয়োজনৰ বাবেহে মানুহৰ লোভৰ বাবে নহয়।'

প্ৰাকৃতিক সম্পদ উত্তৰাধিকাৰী সূত্ৰে পোৱা কাৰো ব্যক্তিগত সম্পত্তি নহয়। প্ৰকৃতিক ব্যৱহাৰ কৰোঁতে যদি আমাৰ মাজত সংঘাত হয় তেন্তে সমাজত অশান্তি বিয়পিব। গতিকে পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদ ব্যৱহাৰৰ প্ৰতি আমাৰ দৃষ্টিভংগীৰ পৰিবৰ্তন কৰিবৰ হ'ল। আমি ভাবিব লাগিব যে আমি সকলোৱে পৰিৱেশৰ একোটা অবিচ্ছেদ্য অংগ আৰু পৰিৱেশৰ সঠিকভাবে ব্যৱহাৰ কৰি, শান্তিপূৰ্ণভাৱে পৰিৱেশৰ লগত বসবাস কৰি আমি আমাৰ আৰু পৰিৱেশৰ গুণগত মান উন্নত কৰিব লাগিব। সকলোবোৰ শিশুৱে এই কম বয়সতে এই কথা উপলব্ধ কৰিব লাগিব তেতিয়াহে আমি আমাৰ পৰিৱেশক সঠিক কৰি ৰাখিব পাৰিম।

## ২.৪.১. পৰিৱেশৰ প্ৰতি গুৰুত্ব ঃ ভাৰতীয় ঐতিহ্য ঃ

(Valuing our environment : The Indian heritage)

ভাৰতীয়সকলে পৰিৱেশক গুৰুত্ব প্ৰদান কৰাটো এক ঐতিহ্য হিচাপে চিহ্নিত হৈছে। ঋষি অথৰ্বানে লিখা অথৰ্ববেদৰ পৃথিৱী সুক্তাত বৰ্ণনা কৰিছে যে 'পৃথিৱী হ'ল আমাৰ মাতৃ আৰু সকলো জীৱ পৃথিৱীৰ সন্তান'। ভাৰতীয় দৰ্শনেও সকলো পৃথিৱীবাসীয়ে এটা পৰিয়াল বুলি কৈছে। 'বসুধৈব কুটুম্বকম'তো এই একে কথা কোৱা হৈছে। 'হিতোপদেশ'ত বৰ্ণিত আছে যে সকলো জীৱৰ মূলধাৰা একে আৰু জীৱবোৰ আন্তঃপৰস্পৰ নিৰ্ভৰশীল। এয়াই হ'ল মানুহ আৰু সমাজ জীয়াই থকা মৌলিক প্ৰমূল্য।

প্ৰতিজন শিশুক বুজাব লাগে যে আমি পৃথিৱীত জীয়াই থাকিবলৈ হ'লে আমাৰ প্ৰাকৃতিক, সামাজিক-সাংস্কৃতিক পৰিৱেশৰ গুণগত মান সঠিক কৰি ৰাখিব লাগিব।

বিশ্বৰ সকলোবোৰ ধৰ্মতে প্ৰকৃতিৰ লগত মানুহৰ সম্পৰ্কৰ কথা কোৱা আছে। অথৰ্ববেদত প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ সম্পৰ্কত স্পষ্টভাৱে কোৱা হৈছে। ঋকবেদত মানুহৰ প্ৰতি প্ৰকৃতিৰ বৰঙণি আৰু উদাৰতা সম্পৰ্কে কোৱা হৈছে। মহাভাৰত, ৰামায়ণ, ভাগবদ গীতা, পূৰাণ আৰু স্মৃতিবোৰত প্ৰাকৃতিক ভাৰসাম্যতা আৰু প্ৰকৃতিৰ প্ৰতি মানুহৰ আচৰণ সম্বন্ধীয় কথা উল্লেখ আছে। সামগ্ৰী আৰু সম্পদ



টোকা

অকল মানুহৰ বাবেই নহয়, সকলোৰে বাবে আৰু সকলো জীৱই পৰিৱেশৰ লগত সহবাস কৰি শান্তিপূৰ্ণভাৱে জীয়াই থাকিব লাগিব।

ৰাষ্ট্ৰসংঘ স্থাপন হোৱাৰ বহু বছৰ আগতে ভাৰতীয় দৰ্শনে 'লোক সমস্ত সুখিন ভৱন্তু'(Let the entire world be happy) সম্পৰ্কে ধাৰণা দিছিল। পৃথিৱী সুক্তত কৈছে যে 'এক পৃথিৱী এক বিশ্ব, সম্পদ আৰু সম ব্যৱহাৰ' (J. L. Bhat, 1994)

ভাৰতীয় শিক্ষা ব্যৱস্থাতো প্ৰকৃতি আৰু মানুহৰ সম্পৰ্ক সন্দৰ্ভত উল্লেখ কৰা আছে। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল যে প্ৰকৃতিৰ পৰা শিক্ষাক আঁতৰাই শিক্ষা প্ৰদান কৰিলে ক'ব নোৱাৰাকৈ শিশুৰ ক্ষতিসাধন হয়। ঠাকুৰে কৈছিল যে মানুহ আৰু শিশুৰ প্ৰকৃতিৰ প্ৰতি এক স্বাভাৱিক আকৰ্ষণ আছে। গতিকে প্ৰকৃতি অবিহনে শিক্ষা প্ৰদান কৰাতো গ্ৰহণযোগ্য নহয়।

কবি আৰু শিল্পীসকলে প্ৰকাশ কৰিছে যে প্ৰকৃতি মনোমোহা প্ৰকৃতিক পৰ্যবেক্ষণ কৰি ইয়াক উপভোগ কৰিলে মনৰ সৌন্দৰ্য বাঢ়ে আৰু প্ৰকৃতিক ভাল পোৱাৰ প্ৰৱণতা বৃদ্ধি পায়। বিশুদ্ধ বায়ু আৰু আকাশ, সেউজীয়া গছ-গছনি, বিশুদ্ধ পানী, পাহাৰ-পৰ্বত আদি হ'ল একো একোবিধ ৰোগ আৰোগ্যকাৰী উপাদান আৰু এই প্ৰকৃতিৰ বিজ্ঞানসন্মত উপভোগে নান্দনিক সৌন্দৰ্য বৃদ্ধি কৰিব- এই উপলব্ধি শিশুসকলৰ মনত আহিব লাগিব।

পৃথিৱীখন মাত্ৰ এটা প্ৰজন্মৰ বাবে নহয়। এটাৰ পিছত এটাকৈ পৃথিৱীত বিভিন্ন জীৱৰ বিভিন্ন প্ৰজন্ম আহিছে আৰু গৈছে। কোনো এটা প্ৰজন্মই যদি এই প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদক সঠিক ব্যৱহাৰ নকৰে তেন্তে পিছৰ প্ৰজন্মৰ বাবে পৃথিৱীত বাস কৰাটো কঠিন হ'ব। সেইদৰে আমি ভৱিষ্যৎ প্ৰজন্মৰ কথা চিন্তা কৰি আমাৰ প্ৰকৃতি, প্ৰাকৃতিক সম্পদ আৰু পৰিৱেশৰ সঠিক ব্যৱহাৰ আৰু সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে যাতে ভৱিষ্যতৰ প্ৰজন্ম সৰ্বাংগসুন্দৰ হয়।

## গোলকীয় নীতি (A Global Ethics)

ভৱিষ্যৎ প্ৰজন্ম সুৰক্ষিত কৰাৰ স্বাৰ্থত প্ৰাকৃতিক সম্পদৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ সংৰক্ষণৰ বাবে প্ৰমূল্য আহৰণ সমগ্ৰ বিশ্ববাসীৰ এটা চিন্তনীয় বিষয় হৈ পৰিছে। শান্তিপূৰ্ণ আৰু গ্ৰহণযোগ্য গোলকীয় সমাজ প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজনীয় প্ৰমূল্য আৰু নীতি সম্পৰ্কে আন্তৰ্জাতিক 'গোলকীয় বিশ্ব চনদ' (The global earth charter) এ তলত দিয়া প্ৰমূল্যবোৰৰ কথা



টোকা



কৈছে—

'মানৱ জাতি বিশ্ব ব্ৰহ্মাণ্ডৰ এটা অংশ। আমাৰ বাসস্থান পৃথিৱীত বিভিন্ন জীৱই বাস কৰে আৰু পৃথিৱীয়ে প্ৰতিটো জীৱৰ জৈৱ বিৱৰ্তনৰ বাবে এটা পৰিৱেশ গঢ়ি দিছে। প্ৰতিটো জীৱ সম্প্ৰদায়ৰ স্থায়িত্ব আৰু উন্নয়নৰ বাবে জীৱসমূহে পৰিৱেশত থকা বিভিন্ন প্ৰাণী আৰু উদ্ভিদ, সাৰুৱা মাটি, বিশুদ্ধ পানী আৰু বিশুদ্ধ বায়ু আদিৰ ওপৰত নিৰ্ভৰশীল। গতিকে জীৱসমূহৰ গতিশীলতাৰ বাবে পৃথিৱীৰ জীৱন ধাৰণ শক্তি, বিভিন্নতা আৰু সৌন্দৰ্য ৰক্ষা কৰাটো অতি প্ৰয়োজন।'

বিশ্ব চনদৰ প্ৰস্তাৱনাত কৈছে যে মানুহে প্ৰকৃতিৰ এটা অংশ হিচাপে প্ৰকৃতিৰ প্ৰতি সমান প্ৰদৰ্শন কৰিব লাগে যাতে মানৱীয় মৰ্যাদাৰে অন্য জীৱৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক সুদৃঢ় কৰিব পাৰে। অন্যৰ প্ৰতি ভাবুকি নহাকৈ আমি যাতে এই পৃথিৱীত শান্তিপূৰ্ণভাৱে বসবাস কৰিব পাৰো এই শিক্ষা আমি আহৰণ কৰা দৰকাৰ। শান্তিপূৰ্ণ জীৱন প্ৰণালীয়ে মাত্ৰ নিজৰে যে উন্নতি কৰে এনে নহয় ই অন্য জীৱৰো উন্নতি সাধন কৰে।

ওপৰত উল্লেখ কৰা প্ৰমূল্যবোৰ অকল বিমূৰ্তই নহয় জটিলো। এই প্ৰমূল্যবোৰৰ নীতি শাস্ত্ৰ, নান্দনিক অনুভৱ, সামাজিক, ধাৰ্মিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি দিশৰ লগত সম্পৰ্ক থকা বাবে এই জটিলতাৰ আবিৰ্ভাৱ হৈছে।

## অগ্ৰগতিৰ নিৰূপণ- ৩ (Cheek your progress-3)

(ক) প্ৰমূল্য আমাৰ.......................... ব্যৱহাৰৰ অন্তৰ্গত। (ক্ৰিয়াত্মক বা আবেগিক, বৌদ্ধিক, কৌশল/মনোপেশীক)

(খ) ভাৰতীয় দৰ্শনে কৈছে যে 'পৃথিৱীত থকা সকলোবোৰে এটা পৰিয়ালৰ অন্তৰ্গত। ইয়াকে ............................... বুলি কোৱা হয়।

(বসুন্ধৈৱ কুটুম্বকম, গোলকীয় বিশ্ব চনদ, গোলকসমস্ত সুখিন ভৱন্তু)

(গ) প্ৰাকৃতিক সৌন্দৰ্য হৃদয়ংগম কৰা আৰু অনুভৱ কৰাই হ'ল.................. গুণ। (নান্দনিক, ধাৰ্মিক, অৰ্থনৈতিক)

(ঘ) এই পৃথিৱীখন মাত্ৰ এটা প্ৰজন্মৰ বাবেই নহয়, অনাগত প্ৰজন্মৰ বাবেও। এইটো.......................... গুণৰ অন্তৰ্গত। (নীতিশাস্ত্ৰ, ধাৰ্মিক, নান্দনিক)



টোকা

## ২.৫ ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ, ২০০৫ সাপেক্ষে প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকনৰ পৰিসৰ। (Scope of Teaching learning EVS at the Primary stage with special reference to NCF, 2005)

সাধাৰণতে দেখা যায় যে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ পৰিৱেশ অধ্যয়ন বিষয়টোও 'মগ' আৰু জ'গ আৰ্হি' অনুযায়ী শিকায়। ইয়াত ছাত্ৰ-ছাত্ৰীক ম'গ হিচাপে সূচাইছে য'ত শিক্ষকৰূপী জ'গে ম'গটো যিকোনো প্ৰকাৰে ভৰাই সম্পূৰ্ণ কৰে। এই ক্ষেত্ৰত ম'গৰ নিজস্বভাৱে কৰিবলগা একো নাই। এনেধৰণৰ শিক্ষণ-শিকন পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীক নিজৰ চিনাকি পৰিৱেশৰ পৰা শিকাৰ সুবিধা নিদিয়ে, ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশৰ লগত সম্পৰ্ক স্থাপন কৰিব নোৱাৰে। পৰিবেশিক সম্বন্ধ থকা কৰ্মত ছাত্ৰ-ছাত্ৰীক নিয়োগ নকৰা বাবে তেওঁলোকে বাস্তৱ অভিজ্ঞতাৰ পৰা শিকিব নোৱাৰে। এনে ব্যৱস্থাত বিদ্যালয়ত পৰিৱেশ অধ্যয়ন বিষয়টো অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্য অৰ্থহীন হৈ পৰে।

ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ, ২০০৫ত উল্লেখ কৰাৰ দৰে পৰিৱেশ অধ্যয়নৰ লক্ষ্য হ'ল শিশুক পৰিচিত বাস্তৱ পৰিৱেশৰ মুখামুখি হ'বলৈ দিয়া, পৰিৱেশ পৰ্যবেক্ষণ আৰু বিশ্লেষণ কৰি পৰিৱেশ সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণ কৰিবলৈ শিকা আৰু পৰিৱেশ সংৰক্ষণ কৰা যাতে আমি বহনক্ষম বিকাশ (Substainable development) সাধন কৰিব পাৰো।

এই লক্ষ্যত উপনীত হ'বলৈ পৰিৱেশ অধ্যয়নৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াটো তিনিটা প্ৰধান নীতিত ভাগকৰা হৈছে। যেনে - পৰিৱেশৰ বিষয়ে শিকা (Learning about the environment), পৰিৱেশৰ জৰিয়তে শিকা (Learning through enviroment)আৰু পৰিৱেশৰ কাৰণে শিকা (learning for environment)। গতিকে পৰিৱেশ অধ্যয়নৰ পৰিসৰ অতি বিশাল। পৰিৱেশক জনা, ব্যৱহাৰ কৰা আৰু সংৰক্ষণ কৰা সকলো দিশ পৰিৱেশ অধ্যয়নত অন্তৰ্ভুক্ত হৈ আছে। ইয়াত শিশুৱে চিনাকি পৰিৱেশৰ অভিজ্ঞতাৰ পৰা অচিনাকি পৰিৱেশৰ অভিজ্ঞতাৰ মুখামুখি হোৱাৰ সুবিধা আছে। ব্যক্তিৰ পৰা ৰাষ্ট্ৰ বা বিশ্বব্ৰহ্মাণ্ডলৈ আৰু ভৌতিক বিষয়ৰ পৰা নান্দনিক দিশলৈ সকলোবোৰ পৰিৱেশ অধ্যয়ন কৰি জানিব পাৰি।

পৰিৱেশ অধ্যয়নত শিশুৱে 'কৰি শিকা' (Learning by doing) দিশটোক বাৰুকৈয়ে গুৰুত্ব দিয়া হয় য'ত শিশুৱে পৰিৱেশৰ লগত আন্তঃ ক্ৰিয়াৰ

টোকা

জৰিয়তে অভিজ্ঞতা আহৰণ কৰি জ্ঞান আৰু বোধ গঠন কৰিব পাৰে। এই প্ৰক্ৰিয়াত শিশুৱে নিজে জনা কথাৰ লগত নজনা কথাৰ সংযোগ ঘটাব পাৰে আৰু জনা জ্ঞানৰ (নিজস্ব আৰু পৰিয়ালৰ পৰা) ব্যৱহাৰ কৰি নতুন জ্ঞান (সমাজ, ৰাষ্ট্ৰ বা বিশ্বৰ পৰা) আহৰণ কৰিব পাৰে।

পৰিৱেশ অধ্যয়ন এক প্ৰশিক্ষণ কাৰ্যসূচীও বুলিব পাৰি য'ত পৰিৱেশ সম্বন্ধীয় দৃষ্টিভংগী, প্ৰমূল্য, অভ্যাস আৰু আচৰণৰ বিকাশ হয়। বহনক্ষম সমাজ (Subtainable society) গঠন প্ৰক্ৰিয়াত পৰিৱেশ অধ্যয়নক ভিত্তি হিচাপে ল'ব পাৰি। গতিকে পৰিৱেশ অধ্যয়নৰ পৰিসৰ ইমান বিশাল যে শিশুৱে ইয়াৰ পৰা পৰিৱেশক জনা আৰু বুজাৰ উপৰি তলত দিয়া দিশসমূহৰো বিকাশ ঘটাব পাৰে।

- ইতিবাচক দৃষ্টিভংগী, পৃথিৱীত থকা প্ৰতিটো জীৱৰ প্ৰতি সন্মান, নিজৰ আৰু আনৰ যত্ন লোৱা, প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ, সহযোগিতা আৰু সমন্বয়েৰে বসবাস কৰিবলৈ শিকা, সমাজ আৰু সংস্কৃতিৰ প্ৰতি দায়বদ্ধতা।
- পৰিৱেশত গুণগত মানৰ বিকাশ কৰিবলৈ ইতিবাচক আৰু সহনশীল কৰ্ম কৰা।
- পৰিৱেশক প্ৰকৃত বন্ধু হিচাপে লৈ পৰিৱেশ সংৰক্ষণৰ নীতি গ্ৰহণ কৰাৰ বাবে অভ্যাস গঢ়ি তোলা।

**অগ্ৰগতি নিৰূপণ - ৪ (Cheek your Progress-4)**

(ক) পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকনৰ তিনিটা মুখ্য নীতি হ'ল—

(i) পৰিৱেশৰ .......................... শিকা।

(ii) পৰিৱেশৰ ......................... শিকা।

(iii) পৰিৱেশৰ ......................... শিকা।

(খ) পৰিৱেশ অধ্যয়নৰ পৰিসৰ বুলি ক'লে আমি তলৰ অন্তৰ্ভুক্ত কোনটো মুখ্য দিশ সামৰো।

(i) কেইবাটাও দিশ সামৰে।

(ii) শিশুকেন্দ্ৰিক।

(iii) জ্ঞান গঠন প্ৰক্ৰিয়া।

(iv) শিক্ষণ ভিত্তিক

(v) পৰীক্ষা-নিৰীক্ষা ভিত্তিক।

(vi) শিকন ভিত্তিক।



টোকা

**প্ৰতিফলন (Reflect)**

পৰিৱেশ অধ্যয়নৰ পৰিসৰ আৰু ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ, ২০০৫ সাপেক্ষে তলত দিয়া পৰিৱেশ অধ্যয়নৰ কোনকেইটা দিশ বিদ্যালয়ত প্ৰতিফলন হৈছে বুলি ভাবে চিহ্নিত কৰক।

- শিক্ষণতকৈ শিকন বেছি।
- সমস্যা সমাধান আৰু জটিল চিন্তা কৰাৰ ক্ষমতা আহৰণ।
- স্থানীয় পৰিৱেশৰ বিভিন্ন দিশ আৰু সমস্যা।
- শ্ৰেণীৰ বিষয়সমূহত পৰিৱেশৰ সমন্বয় সাধন।
- শিক্ষণ-শিকন প্ৰক্ৰিয়া বহুমুখী উৎস আৰু বহুমুখী দিশৰ একত্ৰিকৰণ।
- পৰিৱেশ সম্পৰ্কীয় কাৰ্যসূচীত অংশগ্ৰহণ।
- জ্ঞান গঠন।

## ২.৬ সাৰাংশ(Let us sum up) :

ৰাষ্ট্ৰীয় কেৰিকুলামৰআধাৰ, ২০০৫ ত উল্লেখ আছে যে শিশুৱে মাত্ৰ নিজৰ বাবে নহয় অন্য জীৱৰ বাবেও পৰিৱেশক বুজিব লাগে, জানিব লাগে আৰু পৰিৱেশৰ প্ৰতি এটা ইতিবাচক দৃষ্টিভংগী লৈ সহনশীল কৰ্মৰ জৰিয়তে ভৱিষ্যতে বহনক্ষম সমাজ গঢ়িবলৈ পৰিৱেশক ব্যৱহাৰ আৰু সংৰক্ষণ কৰিব লাগে।

**প্ৰাথমিক স্তৰত পৰিৱেশ শিক্ষা অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্য হ'ল—**

(ক) শিশুৰ মনত পৰিৱেশৰ প্ৰতি কৌতূহল আৰু সজাগতাৰ বিকাশ কৰা।

(খ) পৰিৱেশ সম্পৰ্কীয় জ্ঞান আৰু বোধৰ বিকাশ সাধন কৰাৰ লগতে মানুহ আৰু পৰিৱেশৰ সম্পৰ্কৰ বিকাশ ঘটোৱা।

(গ) গুণগত মানৰ পৰিৱেশ সৃষ্টি কৰিবলৈ প্ৰমূল্য, অভ্যাস, দৃষ্টিভংগী, আবেগৰ বিকাশ ঘটোৱা।

(ঘ) পৰিৱেশ সম্পৰ্কীয় বিভিন্ন দিশ আৰু সমস্যা সমাধান কৰিবলৈ দক্ষতা বৃদ্ধি কৰা।

পৰিৱেশৰ লগত খাপ খুৱাই শিশুক শিকাবলৈ শিক্ষকসকলৰ যথেষ্ট দায়িত্ব আছে। বিখ্যাত মনোবিজ্ঞানীসকলে কৈছে যে সেই পৰিৱেশত শিশুৱে বেছিকৈ শিকে য'ত শিশুৱে নিজৰ পচন্দৰ পৰিৱেশৰ লগত পৰ্যবেক্ষণ আৰু আন্তঃকৰ্মৰ জৰিয়তে অভিজ্ঞতা

টোকা



লাভ কৰিবলৈ সক্ষম হয়। শিক্ষকে পৰিৱেশ অধ্যয়ন শিকনৰ জৰিয়তে শিশুক পৰিৱেশৰ গুণগত মান উন্নত কৰাৰ বাবে আৰু প্ৰাকৃতিক সম্পদৰ সঠিক ব্যৱহাৰ আৰু সংৰক্ষণৰ বাবে উৎসাহিত কৰিব লাগে।

পৰিৱেশ অধ্যয়নৰ শিক্ষকে পাঠ প্ৰদান কৰোতে তেওঁ নিজেই পৰিৱেশ সম্পৰ্কীয় বিষয়বস্তু আৰু শিক্ষা পদ্ধতি সম্পৰ্কে আগতীয়া অধ্যয়ন আৰু অভ্যাস কৰিব লাগে। এই ক্ষেত্ৰত তেওঁৰ পৰিৱেশ সম্পৰ্কীয় জ্ঞান আৰু বোধ, শিশুৰ বিকাশ স্তৰ আৰু শিশুৰ শিকন পৰিৱেশ সম্পৰ্কে থকা ধাৰণা সাপেক্ষে শিশুৰ জ্ঞান গঠন কৰিব পাৰে। শিক্ষক নহৈ যদি এজন সহায়কৰ ভূমিকা পালন কৰে তেন্তে পৰিৱেশ অধ্যয়নৰ শিক্ষকে শ্ৰেণীকোঠা মনোগ্ৰাহী কৰিব পাৰিব আৰু শিশুৰ শিকন স্থায়ী কৰিব পাৰিব। এজন সহায়কৰ মুখ্য বৈশিষ্ট্যবোৰ হ'ল ছাত্ৰ-ছাত্ৰীক উৎসাৰিত কৰা, আলোচনাত ভাগ লোৱাৰ পৰিৱেশ সৃষ্টি কৰা, শিক্ষকক প্ৰশ্ন সুধিবলৈ প্ৰেৰণা দিয়া, শ্ৰেণীকোঠাত বন্ধুসুলভ পৰিৱেশ সৃষ্টি কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ সমস্যা সহমৰ্মিতাৰ মনোভাবেৰে সমাধান কৰা।

## ২.৭ অগ্ৰগতি নিৰূপণৰ আৰ্হি উত্তৰসমূহ (Model answers to cheek your progress) :

**অগ্ৰগতি নিৰূপণ - ১**

(ক) সংহত।

(খ) সৰ্বাংগীন বিকাশ।

**অগ্ৰগতি নিৰূপণ - ২**

(ক) ওপৰৰ সকলোবোৰ

**অগ্ৰগতি নিৰূপণ - ৩**

(ক) ক্ৰিয়াত্মক বা আবেগিক।

(খ) বসুধৈব কুটুম্বকম।

(খ) নান্দনিক।

(ঘ) নীতি শাস্ত্ৰ।

**অগ্ৰগতি নিৰূপণ - ৪**

(ক) (i) বিষয়ে।

(ii) জৰিয়তে।

(iii) কাৰণে।

(খ) (i) শিশুকেন্দ্ৰিক



টোকা

## ২.৮ অধিক জানিবলৈ উপদেশমূলক আৰু প্ৰাসংগিক পাঠ্যপুথিৰ তালিকা।(Suggested Readings and References)


- Ashish Kothari "Some crucial values in Environmental Education– A Note for Environmental Educationists, Kalpavriksh, New Delhi, 1986
- NCERT, 2004, Environental Education in Schools, NCERT, New Delhi
- NCERT 2005, National Curriculum Framework 2005, NECRT, New Delhi
- NCERT, 2005, Habitat and Learning, NCERT, New Delhi
- NCERT, 2006, Syllabus for Classes at Elementary Level, NCERT, New Delhi
- NCERT (2008), Source Book on Assessment for Classes-I-V, Environmental Studies, NCERT, New Delhi.
- Ravindranath M.J. "Attitudes and Values in Environmental Education- A Perspective. National Conference for the Missionary College Staff at the India Peace Centre, Nagpur, (1990).
- J. L. Bhat "Indian Approach to Environment : An Ethical Perspective, Proceedings of the Conference "Environmental Education for Sustainable Development", Indian Environmental Society, New Delhi 1994.


## ২.৯ গোটৰ অনুশীলনী

(i) প্ৰমূল্য মানে কি বুজা? পৰিৱেশ অধ্যয়ন শিক্ষণ শিকন প্ৰক্ৰিয়াৰ জৰিয়তে আহৰণ কৰা কিছুমান প্ৰমূল্য সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ii) পাঠ্যক্ৰমৰ অন্য বিষয়ৰ লগত পৰিৱেশ অধ্যয়নৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পৰিসৰ তুলনা কৰা।